# ২০২১ বৰ্ষৰ গণিতৰ শান্তি স্বৰূপ ভাটনাগৰ বঁটা আৰু শাস্ত্ৰ ৰামানুজন বঁটা বিজয়ীসকল

**ড° চয়নিকা বৰুৱা**

সহকাৰী অধ্যাপিকা, গণিত বিভাগ, ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন'লজি, মেঘালয়

বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ (CSIR) প্ৰতিষ্ঠাপক সঞ্চালক, ৰয়েল চছাইটিৰ ফেল' ছাৰ শান্তি স্বৰূপ ভাটনাগৰৰ সোঁৱৰণত শান্তি স্বৰূপ ভাটনাগৰ বঁটা ভাৰতীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তিসকলক স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰদান কৰা হয়। এই বঁটা প্ৰতিবছৰে মৌলিক আৰু প্ৰায়োগিক দিশত জীৱবিজ্ঞান (Biological sciences), ৰসায়ন বিজ্ঞান (Chemical sciences), ভূ, বায়ুমণ্ডল, সমুদ্ৰ আৰু গ্ৰহবিজ্ঞান (Earth, Atmosphere, Ocean and Planetary Sciences), কাৰিকৰী বিজ্ঞান (Engineering Sciences), গণিত বিজ্ঞান (Mathematical Sciences), চিকিৎসা বিজ্ঞান (Mathematical Sciences), আৰু পদাৰ্থ বিজ্ঞান (Physical Sciences) – এই শাখাকেইটাত অসামান্য বৰঙণি আগবঢ়োৱা বিজ্ঞানী তথা গৱেষকসকলক প্ৰদান কৰা হয়। প্ৰতি বছৰে ২৬ ছেপ্টেম্বৰ, অৰ্থাৎ চি.এছ.আই.আৰ.ৰ প্ৰতিষ্ঠা দিৱসৰ দিনা এই বঁটা ঘোষণা কৰা হয়। বঁটা প্ৰদান কৰা সময়ত বঁটা প্ৰাপকৰ গৱেষণা তথা কৰ্মৰাজিৰ এক খতিয়ান পাঠ কৰা হয়।

২০২১ বৰ্ষৰ ভূ, বায়ুমণ্ডল, সমুদ্ৰ আৰু গ্ৰহবিজ্ঞান শাখাত অসম সন্তান ড° বিনয় কুমাৰ শইকীয়াই সন্মানীয় শান্তি স্বৰূপ ভাটনাগৰ বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ (CSIR–NEIST) এগৰাকী জ্যেষ্ঠ বিজ্ঞানী ড° শইকীয়াৰ গৱেষণা মূলতঃ পৰিৱেশ আৰু শক্তি সম্পৰ্কীয়। অসমৰ কয়লাৰ বিকল্প ব্যৱহাৰৰ সম্পৰ্কে দীৰ্ঘদিন ধৰি অসমতে একান্ত গৱেষণাকাৰ্য চলাই থকা ড° বিনয় কুমাৰ শইকীয়ালৈ দেশৰ এক অন্যতম শ্ৰেষ্ঠ সন্মান অহা খবৰটোৱে ৰাজ্যৰ বিজ্ঞান গৱেষণা ক্ষেত্ৰখনলৈ আনন্দ তথা উদ্যমৰ বতৰা কঢ়িয়াই আনিছে।



২০২১ বৰ্ষৰ গণিত বিজ্ঞান বিষয়ত শান্তি স্বৰূপ ভাটনাগৰ বঁটাৰে সন্মানিত কৰা হৈছে ড° আনিশ ঘোষ আৰু ড° চকেট সৌৰভক।

টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠানৰ (TIFR) গণিতৰ অধ্যাপক আনিশ ঘোষৰ মুখ্য গৱেষণাৰ বিষয় এৰ্গডিক থিয়ৰী, লী সংঘ আৰু সংখ্যাতত্ত্ব। সংখ্যাৰ অধ্যয়নৰ সৈতে এৰ্গডিক তত্ত্বৰ এক গভীৰ সম্পৰ্ক আছে। এই সম্পৰ্কটো লী সংঘ বুলি এক ধৰণৰ সমমিতীয় সংঘৰ দ্বাৰা হয়। আনিশ ঘোষে দ্বিঘাট ৰূপৰ (quadratic form) বৈশিষ্ট্য অধ্যয়নত ব্যৱহাৰ কৰিছে। সন্মানীয় শান্তি স্বৰূপ ভাটনাগৰ বঁটা লাভ কৰি তেওঁ যথেষ্ট উৎসাহ পোৱা বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে অধ্যাপক ঘোষ 'ইনফ'চিছ-চন্দ্ৰশেখৰণ ভাৰ্চুৱেল চেণ্টাৰ ফৰ ৰেণ্ডম জিঅ'মিট্ৰি'ৰো এজন বিজ্ঞানী।

২০০১ চনত মুম্বাইৰ ছেইণ্ট জেভিয়াৰ্ছ কলেজৰ পৰা গণিতত স্নাতক ডিগ্ৰী অৰ্জন কৰা আনিশ ঘোষে মাছাচুছেটছৰ ব্ৰেণ্ডাইছ বিশ্ববিদ্যালয়ৰ পৰা ২০০৬ চনত পিএইচডি ডিগ্ৰী লাভ কৰে। তাৰপাছত তেওঁ টেক্সাছ বিশ্ববিদ্যালয়ত অলপ দিনৰ বাবে প'ষ্ট ডক্টৰেল ফেল' হিচাপে যোগদান কৰে। ব্ৰিটেইনৰ পূব এংগলীয়া বিশ্ববিদ্যালয়ত কিছুদিন প্ৰবক্তা হৈ থকাৰ পাছত আনিশ ঘোষে টিআইএফআৰত অধ্যাপক হিচাপে যোগ দিয়ে। শান্তি স্বৰূপ ভাটনাগৰ বঁটাৰ উপৰি আনিশ ঘোষে ভাৰতীয় বিজ্ঞান অকাদেমীৰ ফেল' (২০১৮), NASI-Scopus যুৱ বিজ্ঞানী বঁটা (২০১৭) আদি বহুতো খ্যাতি আৰু সন্মান লাভ কৰিছে।



আনজন বঁটাপ্ৰাপক চকেট সৌৰভ চেন্নাইৰ গণিতবিজ্ঞান প্ৰতিষ্ঠানৰ (IMSc) তাত্ত্বিক কম্পিউটাৰ বিজ্ঞানৰ অধ্যাপক আৰু বাৰ্গেন বিশ্ববিদ্যালয়ৰ অধ্যাপক। সূচকীয় এলগৰিথম, গ্ৰাফ এলগৰিথম, খেল তত্ত্ব, পেৰামেটৰাইজড জটিলতা (parameterized complexity) আদি তেওঁৰ গৱেষণাৰ মুখ্য বিষয়। পেৰামেটৰাইজড জটিলতা বিষয়ৰ গৱেষণাত তেওঁ নতুন দিশৰ সূচনা কৰা বুলি অভিহিত কৰা হয়। ইয়াৰ আগতে চকেট সৌৰভে 'Lossy Preprocessing' শীৰ্ষক প্ৰকল্পৰ বাবে সন্মানীয় ERC গ্ৰাণ্ট পাবলৈ সক্ষম হৈছিল। প্ৰকল্পটোৰ সন্দৰ্ভত তেওঁ কৈছিল যে, “আমি এটা সমস্যা সমাধান কৰিবলৈ লওঁতে সকলোৰে শুদ্ধ সমাধান বিচাৰোঁ, যিটো সময়ৰ সীমাবদ্ধতাৰ কাৰণে সদায় সম্ভৱ নহয়। উদাহৰণস্বৰূপে কেতিয়াবা আমাৰ হাতত বৃহৎ পৰিমাণৰ ডেটা থাকে, তাৰ কিছু সংখ্যকহে আমাক লাগে। এই প্ৰকল্পৰ মুখ্য উদ্দেশ্য আছিল ডাঙৰ ডেটাৰ পৰা মূল্যৱান তথ্য বিচাৰি পোৱাটো সহজ কৰি তোলা।” এই প্ৰকল্পই মেচিন লাৰ্ণিং, কম্পিউটেছনেল জ্যামিতি আদিৰ উপৰি দৈনন্দিন জীৱনতো মানুহক সহায় কৰিব বুলি চকেট সৌৰভ আশাবাদী।

চেন্নাই গাণিতিক প্ৰতিষ্ঠানৰ (CMI) পৰা গণিত বিষয়ত স্নাতক ডিগ্ৰী লোৱাৰ পাছত অধ্যাপক চকেট সৌৰভে একেখন প্ৰতিষ্ঠানৰ পৰা কম্পিউটাৰ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাত্ত্বিক কম্পিউটাৰ বিজ্ঞানত ২০০৮ চনত চেন্নাইৰ গণিতবিজ্ঞান প্ৰতিষ্ঠানৰ (IMSc) পৰা পিএইচডি ডিগ্ৰী লাভ কৰাৰ পাছত তেওঁ গৱেষণা সহায়ক হিচাপে বাৰ্গেন বিশ্ববিদ্যালয়ত ২০০৬ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা ২০০৭ চনৰ মে' মাহলৈ, আৰু প'ষ্ট ডক্টৰেল ফেল' হিচাপে ২০০৭ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা ২০০৯ চনৰ ছেপ্তেম্বৰ মাহলৈ কাম কৰিছিল। শান্তি স্বৰূপ ভাটনাগৰ বঁটাৰ উপৰি চকেট সৌৰভে ভাৰতীয় বিজ্ঞান অকাদেমীৰ ফেল' (২০২০), দ্য অকাদেমী অৱ ইউৰোপৰ সদস্য (২০২০), এচিএম ইণ্ডিয়া আৰ্লি কেৰিয়াৰ ৰিচাৰ্ছাৰ সন্মান (২০২০) লাভ কৰিছে।

~ o ~

ৰামানুজন গণিতৰ ক্ষেত্ৰখনত সৰ্বোৎকৃষ্ট কাম কৰি থকা তৰুণ গণিতজ্ঞসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰদান কৰা 'শাস্ত্ৰ ৰামানুজন বঁটা' গণিতৰ আন এক সন্মানীয় বঁটা। Shanmugha Arts, Science, Technology & Research Academy চমুকৈ SASTRA নামৰ সংস্থাৰ দ্বাৰা এই বঁটা প্ৰদান কৰা হয়। ৰামানুজনৰ বয়সৰ লগত সংগতি ৰাখি এই বঁটাৰ বাবে বয়সৰ উচ্চ সীমা বত্ৰিছ বছৰ ধাৰ্য কৰি দিয়া হৈছে। প্ৰতি বছৰে ৰামানুজনৰ জন্ম ঠাই কুম্বকোনামৰ শাস্ত্ৰ বিশ্ববিদ্যালয়ৰ শ্ৰীনিৱাস ৰামানুজন কেন্দ্ৰত অনুষ্ঠিত কৰা সংখ্যাতত্ত্বৰ এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনত এই বঁটা প্ৰদান কৰা হয়। প্ৰথম 'শাস্ত্ৰ ৰামানুজন বঁটা' ২০০৫ চনত প্ৰদান কৰা হৈছিল, আৰু এই বঁটাৰ অৰ্থ-মূল্য দহ হাজাৰ ডলাৰ।

২০২১ বৰ্ষৰ এই বঁটা লাভ কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ ড° ৱিল চাৱিনে। গণিতৰ বিভিন্ন শাখাত বুৎপত্তি থকা ৱিল চাৱিন এজন অসাধাৰণ প্ৰতিভাৱান গণিতজ্ঞ যি সংখ্যাতত্ত্ব আৰু বীজগণিতীয় জ্যামিতিৰ ক্ষেত্ৰত যুগান্তকাৰী অৱদান আগবঢ়াইছে। গণিতৰ কিছুমান দীৰ্ঘদিনীয়া

সমাধান নোহোৱা সমস্যা, যেনে গল্ডবাখ অনুমান আৰু যমজ মৌলিক অনুমান, হাৰ্ডি-লিটিলউদ-ৰামানুজনৰ বৃত্তীয় পদ্ধতিৰ বীজগণিতীয় জ্যামিতীয় ফ্ৰেমৱৰ্কলৈ বিস্তাৰণ আদি তেখেতৰ উল্লেখযোগ্য গৱেষণা কৰ্ম।

১৯৯৩ চনৰ অক্টোবৰ মাহত মাছাচুছেটছত জন্মগ্ৰহণ কৰা ৰিল চাৰিন শৈশৱৰ পৰাই তীক্ষ্ণধী আছিল আৰু হাইস্কুলৰ গণিতৰ পাঠ্যক্ৰম মাত্ৰ ৮ বছৰ বয়সতে শেষ কৰিছিল। য়েল বিশ্ববিদ্যালয়ৰ গণিতজ্ঞ চাৰ্জ লাং আহিছিল ৰিল চাৰিন পঢ়া প্ৰাথমিক বিদ্যালয়লৈ তেওঁক লগ ধৰিবলৈ। শুনিবলৈ আচৰিত লাগে যে মাত্ৰ দহ বছৰ বয়সতেই য়েল বিশ্ববিদ্যালয়ত ৰিল চাৰিনে স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰিছিল। ২০১১ চনত একে সময়তে মাত্ৰ সোতৰ বছৰ বয়সত তেওঁ হাইস্কুলৰ ডিপ্ল'মা আৰু স্নাতক ডিগ্ৰী লাভ কৰিছিল। মজাৰ কথাটো হ'ল যে বিস্ময়কৰ প্ৰতিভাৰ অধিকাৰী ৰিল চাৰিনে গণিত আৰু অৰ্থনীতি দুয়োটা বিষয়তে মেজৰ সহ স্নাতক হৈছিল। ৰিল চাৰিনে পাছত প্ৰিন্সটন বিশ্ববিদ্যালয়ত যোগ দিয়ে, আৰু সংখ্যাতত্ত্ব আৰু বীজগণিতীয় জ্যামিতি দুয়োটা ক্ষেত্ৰতে পাৰ্গত হোৱাৰ পাছত অধ্যাপক নিক কাৎজৰ অধীনত পিএইচডি কৰে। ২০১৬-১৮ লৈ তেওঁ জুৰিখৰ ইন্সটিটিউট ফৰ থিয়ৰিটিকেল ষ্টাডিজত জুনিয়ৰ ফেল' হিচাপে গৱেষণা কৰে। তাৰপাছত তেওঁ কলম্বিয়া বিশ্ববিদ্যালয়ত যোগদান কৰে সন্মানীয় 'ক্লে ৰিচাৰ্চ জলপানি' লৈ। উল্লেখযোগ্য যে এই সন্মান লাভ কৰাৰ সময়ত ৰিল চাৰিনৰ বয়স আছিল ২৮ বছৰ।



সোতৰ বছৰ বয়সত ৰিল চাৰিন। বহি থকাজন।